অধ্যায় ১১ ঃ মুদ্রাক্ষয় আৰু নিশ্চলস্ফীতি

অধ্যায় গাঁথনি

১১.১ উদ্দেশ্য

১১.২ পৰিচয়

১১.৩ মুদ্রাক্ষয়

- ১১.৩.১ মুদ্রাক্ষয়ৰ অর্থ আৰু সংজ্ঞা
- ১১.৩.২ মুদ্রাক্ষয়ৰ কাৰণ
- ১১.৩.৩ মুদ্রাক্ষয়ৰ প্রভাৱ
- ১১.৩.৪ মুদ্রাক্ষয় নিয়ন্ত্রণৰ উপায়
- ১১.৩.৫ মুদ্রাস্ফীতি বনাম মুদ্রাক্ষয়

১১.৪ নিশ্চলস্ফীতি ঃ অর্থ আৰু ধাৰণা

১১.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১১.৬ অধিক জানিবৰ বাবে

১১.৭ অগ্রগতিৰ খতিয়ান

১১.৮ আৰ্হি প্রশ্ন

১১.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- 'মুদ্রাক্ষয়' ৰ সংজ্ঞা আগবঢ়াব পাৰিব
- মুদ্রাক্ষয় সৃষ্টি কৰিব পৰা কাৰক আৰু ইয়াৰ প্রভাৱ সম্পর্কে বিশ্লেষণ কৰিব পাৰিব
- মুদ্রাক্ষয় নিয়ন্ত্রণৰ উপায়সমূহ ব্যাখ্যা কৰিব পাৰিব
- মুদ্রাস্ফীতি আৰু মুদ্রাক্ষয়ৰ মাজত এক তুলনামূলক বিশ্লেষণ আগবঢ়াব পাৰিব
- নিশ্চলস্ফীতিৰ অর্থ আৰু ধাৰণা আলোচনা কৰিব পাৰিব ।

১১.২ পৰিচয়

ইয়াৰ আগৰ অধ্যায়টিত আমি মুদ্রাস্ফীতি (inflation) ৰ বিষয়ে আলোচনা কৰিছোঁ। এই অধ্যায়টিত আমি মুদ্রাক্ষয় আৰু নিশ্চলস্ফীতিৰ বিষয়ে অধ্যয়ন কৰিম।

মুদ্রাক্ষয় হৈছে মুদ্রাস্ফীতিৰ বিপৰীতধর্মী এক মুদ্রা সম্বন্ধীয় পৰিঘটনা। ইয়াৰ বৈশিষ্ট্য হৈছে মূল্য হ্রাস। কিন্তু মূল্য হ্রাস হোৱাৰ অর্থ মুদ্রাক্ষয় নহয়। এই অধ্যায়টিত আমি ইয়াৰ সংজ্ঞা, প্রকাৰ, কাৰক আৰু প্রভাৱ সম্পর্কে আলোচনা কৰিম। ইয়াৰোপৰি মুদ্রাস্ফীতি আৰু আৰু মুদ্রাক্ষয় মাজত থকা পার্থক্য আৰু মুদ্রাক্ষয় নিয়ন্ত্রণৰ উপায়সমূহৰ লগতে এই পৰিঘটনাৰ

এক তুলনামূলক বিশ্লেষণো দাঙি ধৰা হ'ব।

মুদ্রাস্ফীতি আৰু উৎপাদনশীল সম্পদৰ অপূর্ণ ব্যৱহাৰ আৰু লগতে মন্দাৱস্থাৰ ফলস্বৰূপে নিশ্চলস্ফীতি (stagflation) পৰিঘটনাৰ উদ্ভৱ হয়। এই অধ্যায়টিত এই ধাৰণাটি চমুকৈ আলোচনা কৰা হৈছে।

১১.৩ মুদ্রাক্ষয়

এই শাখাত আমি মুদ্রাক্ষয় ধাৰণাৰ ওপৰত বিষদভাবে আলোচনা কৰিম।

১১.৩.১ মুদ্রাক্ষয়ৰ অর্থ আৰু সংজ্ঞা


মুদ্রাস্ফীতি আৰু মুদ্রাক্ষয় এই দুয়োটা প্রক্রিয়াই মূল্যৰ চলাচল সূচায়। মুদ্রাক্ষয় হৈছে মুদ্রাস্ফীতিৰ বিপৰীতমুখী প্রক্রিয়া। অথবা ক'বলৈ গ'লে, ই হৈছে মুদ্রা মূল্য নিম্নগামী হোৱা এক অৱস্থা। যিহেতু মুদ্রাক্ষয়ৰ সময়ত ব্যয়তকৈ মূল্য অধিক নিম্নগামী হয়, ইয়াৰ ফলত উৎপাদক তথা ব্যৱসায়ীসকল যথেষ্ট ক্ষতিগ্রস্ত হয়। অর্থনীতিৰ কোনো বিভাগতে বা শাখাতে লাভ হোৱাটো পৰিলক্ষিত নহয়। সেয়েহে বিনিয়োগৰ পৰিমাণ হ্রাস পায়। ইয়াৰ ফলত নিবনুৱা সমস্যাই দেখা দিয়ে। ক্রাউথাৰ (Crowther)এ মুদ্রাক্ষয়ৰ সংজ্ঞা এনেদৰে দিছে, *'মুদ্রাক্ষয় এনে এক অৱস্থা য'ত মুদ্রাৰ মূল্য উর্দ্ধগামী হয় অর্থাৎ দৰ নিম্নগামী হয়'*।

১১.৩.২ মুদ্রাক্ষয়ৰ কাৰণ

মুদ্রাক্ষয়ৰ কাৰণসমূহ এনেধৰণৰ —

- **কেইন্সৰ বিৱৰণী** ঃ কেইন্সে মুদ্রাক্ষয়ৰ বিভিন্ন কাৰকসমূহৰ বর্ণনা দিবলৈ এক তত্ত্বমূলক আর্হি প্রস্তুত কৰি উলিয়াইছিল। তলত দিয়া ১১.১ চিত্রৰ জৰিয়তে এই আর্হিৰ গুৰুত্বপূর্ণ অংশসমূহ দেখুওৱা হৈছে ঃ

চিত্র ১১.১ ঃ কেইন্সৰ মতে মুদ্রাক্ষয়ৰ কাৰণ



এই কাৰণসমূহ এতিয়া চমুকৈ বর্ণনা কৰা হৈছে —

- **মুঠ চাহিদাৰ নাটনি ঃ** কেইন্সৰ মতে, মুদ্রাস্ফয়ৰ মূল কাৰণ হৈছে মুঠ চাহিদাৰ নাটনি। ইয়াৰ ফলত অতিৰিক্ত উৎপাদন আৰু নিৱনুৱা সমস্যাৰ সৃষ্টি হয়।
- **কম বিনিয়োগ ব্যয় ঃ** বিনিয়োগ ব্যয় দুই ধৰণৰ কাৰকৰ দ্বাৰা বাৰুকৈ ক্ষতিগ্রস্ত হয়। এই কাৰণসমূহ হৈছে নিম্ন MEC (অথবা মূলধনৰ নিম্ন লাভজনকতা) আৰু উচ্চ সুদৰ হাৰ।
- **কম উপভোগ ব্যয় ঃ** সাধাৰণতে আয়ৰ বৃদ্ধিৰ হাৰৰ তুলনাত কম পৰিমাণেহে মানুহে উপভোগ ব্যয় বৃদ্ধি কৰে। ইয়াক 'উপভোগৰ মনস্তাত্বিক নীতি' বোলা হয়। ই নতুন বিনিয়োগৰ লাভালাভ (অর্থাৎ MEC)-ৰ ওপৰত বিৰূপ প্রভাৱ পেলায়।
- **সুদৰ উচ্চ হাৰ ঃ** যেতিয়া MEC নিম্নগামী হয়, মানুহে তেতিয়া চিকিউৰিটীত বিনিয়োগ কৰাৰ পৰিৱর্তে নগদ ধনহে হাতত ৰাখিব বিচাৰে। ই সুদৰ হাৰ অধিক বৃদ্ধি কৰে আৰু ইয়াৰ ফলত বিনিয়োগ হ্রাস পায়।

  সেয়েহে কেইন্সৰ মতে, উচ্চ হাৰত সুদ বৃদ্ধি, নিম্নগামী MEC আৰু উপভোগ ব্যয় হ্রাস পোৱাৰ ফলত মুঠ চাহিদাৰ নাটনি হয়, যিয়ে অর্থনীতিত মুদ্রাস্ফয়ৰ কাৰক ৰূপে কাম কৰে।

- **চৰকাৰী খৰছ হ্রাস ঃ** যদি চৰকাৰে ৰাজহুৱা বিনিয়োগৰ স্তৰ হ্রাস কৰাৰ সিদ্ধান্ত গ্রহণ কৰে, তেন্তে ৰাষ্ট্রীয় আয় আৰু অর্থনীতিৰ মুঠ চাহিদা স্তৰৰ ওপৰত যথেষ্ট বিৰূপ প্রভাৱ পৰিব। ই নিবনুৱা সমস্যাৰো সৃষ্টি কৰে। এই সকলোবোৰৰ ফলত অর্থনীতিত বিনিয়োগ কার্যৰ পৰিমাণ হ্রাস পায় আৰু ফলত মুদ্রাস্ফয়ৰ অৱস্থাসমূহৰ সৃষ্টি হয়।
- **অত্যধিক হাৰৰ কৰ ঃ** যেতিয়া চৰকাৰে অত্যধিক হাৰত কৰ আৰোপ কৰে, ই ৰাইজৰ ব্যয়যোগ্য আয়ৰ পৰিমাণ (disposible income) হ্রাস কৰে। ইয়াৰ ফলত উপভোগ ব্যয় আৰু বিনিয়োগ ব্যয় দুয়োটাৰে পৰিমাণ হ্রাস পায়, যিয়ে অর্থনীতিত মুদ্রাস্ফয়ৰ অৱস্থাৰ সৃষ্টি কৰে।
- **ৰাজহুৱা ঋণ ব্যৱস্থা ঃ** যেতিয়া চৰকাৰে ৰাইজৰ পৰা ঋণ লয়, ই ৰাজহুৱা তাৰল্যৰ পৰিমাণ হ্রাস কৰে। ইয়াৰ দ্বাৰা মুঠ চাহিদা হ্রাস পায় আৰু ফলত অর্থনীতিত মুদ্রাস্ফয়ে দেখা দিয়ে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ১ ঃ শুদ্ধ নে অশুদ্ধ নির্ধাৰণ কৰক।

(ক) মুদ্রাস্ফয় হৈছে মূল্যস্তৰ নিম্নগামী হোৱা এক পৰিঘটনা। (শুদ্ধ/অশুদ্ধ)

(খ) মুদ্রাস্ফয়ৰ কালছোৱাত অধিক হাৰত কৰ বৃদ্ধিয়ে অর্থনীতিটোক উপকৃত কৰে। (শুদ্ধ /অশুদ্ধ)

প্রশ্ন ২ঃ ৰাজহুৱা ব্যয় হ্রাসে মুদ্রাস্ফয়ৰ সময়ছোৱাত কেনে প্রভাৱ পেলায় ? (৫০ টা শব্দৰ ভিতৰত)

.....

.....

.....

.....

.....

১১.৩.৩ মুদ্রাস্ফয়ৰ প্রভাৱ

মুদ্রাস্ফয়ৰ মুখ্য প্রভাৱসমূহ এনেধৰণৰ ঃ

- **উৎপাদনৰ ওপৰত প্রভাৱ ঃ** মুদ্রাস্ফয়ে উৎপাদনৰ ওপৰত যথেষ্ট বিৰূপ প্রভাৱ পেলায় । মুদ্রাস্ফয়ৰ সময়ছোৱাত উৎপাদিত সামগ্রীসমূহৰ মূল্য যথেষ্ট নিম্নগামী হয়; কিন্তু তাৰ বিপৰীতে, সেইবোৰৰ উৎপাদন ব্যয় হ্রাস নহয়। আকৌ সামগ্রী আৰু সেৱাসমূহৰ মুঠ চাহিদাও কম হয়। সেয়েহে উৎপাদনৰ ওপৰত মুদ্রাস্ফয়ৰ প্রভাৱ যথেষ্ট ঋণাত্মক হয়।
- **ব্যৱসায়িক শ্রেণী ঃ** মুদ্রাস্ফয়ৰ সময়ত উৎপাদক সকলৰ উপৰিও ব্যৱসায়িক শ্রেণীৰ ওপৰতো বিৰূপ প্রভাৱ পৰে। ইয়াৰ কাৰণ হ'ল ক্রমান্বয়ে কমিবলৈ ধৰা দামত তেওঁলোকে সামগ্রী ক্রয় কৰিবলগীয়া হয়। আন কথাত ক'বলৈ গ'লে, উৎপাদন প্রক্রিয়াটোৰে লোৱা সময়খিনিৰ বাবে ব্যৱসায়ীসকলে অধিক দামত কেচাঁ সামগ্রী কিনি কম দামত বিক্রী কৰিবলগীয়া হয়।
- **উপভোক্তা ঃ** মূল্য হ্রাস হোৱাৰ ফলত উপভোক্তাসকল যথেষ্ট লাভান্বিত হয়। সামগ্রী আৰু সেৱাৰ মূল্য হ্রাস হ'লে মুদ্রাৰ মূল্যবৃদ্ধি হয়।
- **মজদুৰ শ্রেণী ঃ** মুদ্রাস্ফয়ৰ সময়ত মজদুৰসকল লাভান্বিত হয়। সামগ্রী আৰু সেৱাৰ মূল্য হ্রাস হ'লে মুদ্রাৰ মূল্য বৃদ্ধি হয়। আনহাতে মজুৰিৰ হাৰ যিহেতু সহজে কমাব নোৱাৰি (শ্রমিক সন্থাৰ বিৰোধিতাৰ বাবে); সেয়েহে মূল্য হ্রাস হ'লে মজদুৰসকলে জীৱনধাৰণৰ মানদণ্ড উন্নত কৰিব পাৰে।

- **অর্থনীতিৰ ওপৰত প্রভাৱ ঃ** মুদ্রাস্ফয়ৰ ফলত অর্থনৈতিক বিকাশ বাধাগ্রস্ত হয়, অর্থনীতিৰ বিনিয়োগ বাতাবৰণৰ ওপৰত বিৰূপ প্রভাৱ পৰে, নিবনুৱা সমস্যা বৃদ্ধি হয় আৰু দৰিদ্রতা বৃদ্ধি পায়। নতুন বিনিয়োগৰ অভাৱত অর্থনীতিটোৰ ক্ষেত্রত যথেষ্ট ঋণাত্মক প্রভাৱ পৰে। যদি এক দীঘলীয়া সময়ৰ বাবে যদি মুদ্রাস্ফয় অব্যাহত থাকে, তেন্তে মন্দাৱস্থা (depression)ৰ সৃষ্টি হোৱাৰ লগতে সমগ্র অর্থনীতিয়েই বাধাগ্রস্ত হ'ব।

১১.৩.৪ মুদ্রাস্ফয় নিয়ন্ত্রণৰ উপায়

যিহেতু মুদ্রাস্ফয়ৰ ফলত দেশৰ অর্থনীতিৰ ওপৰত বিৰূপ প্রভাৱ পৰে, সেয়েহে চৰকাৰে ইয়াক নিয়ন্ত্রণ কৰিবলৈ চেষ্টা কৰা উচিত। মুদ্রাস্ফয়ে মন্দাৱস্থাৰো সৃষ্টি কৰিব পাৰে। তলৰ উল্লিখিত ব্যৱস্থাসমূহ গ্রহণ কৰি মুদ্রাস্ফয় ৰোধ কৰিব পৰা যায় —

- **কৰৰ হাৰ হ্রাস কৰা ঃ** কৰৰ হাৰ হ্রাস কৰিব পাৰিলে উদ্যোগীসকল নতুন প্রকল্পসমূহত বিনিয়োগ কৰিবলৈ উৎসাহিত হয়।
- **আয়ৰ পুনৰ বিতৰণ ঃ** সমাজৰ ধনী শ্রেণীৰ পৰা দুখীয়া শ্রেণীলৈ যদি আয়ৰ পুনৰ বিতৰণ কৰা হয়, তেন্তে ই দুখীয়া শ্রেণীৰ আয়ৰ স্তৰ বৃদ্ধিত সহায়ক হ'ব। আকৌ, ধনীশ্রেণীৰ তুলনাত দুখীয়া শ্রেণীৰ প্রন্তিক উপভোগৰ প্রৱণতা (MPC) বেছি হয় বাবে তেনে বিতৰণৰ ফলত মুঠ চাহিদা স্তৰ বৃদ্ধি পায়।
- **ৰাজহুৱা ঋণ আদায় ঃ** ৰাজহুৱা ঋণ আদায়ৰ দ্বাৰা ৰাইজৰ ক্রয় ক্ষমতা বৃদ্ধি পায়। ইয়াৰ দ্বাৰা অর্থনীতিৰ চাহিদা স্তৰ উর্দ্ধগামী হ'ব।
- **আর্থিক সাহার্য** (Subsidies) ঃ চৰকাৰী সাহার্য প্রদানৰ ব্যৱস্থাই অর্থনীতিত বিনিয়োগৰ স্তৰ বৃদ্ধি কৰাত সহায়ক হয় ।
- **ৰাজহুৱা বিনিয়োগঃ** মুদ্রাস্ফয় ৰোধ কৰাৰ আন এক গুৰুত্বপূর্ণ ব্যৱস্থা হৈছে ৰাজহুৱা বিনিয়োগ। অর্থনীতিত ব্যক্তিগত বিনিয়োগ বৃদ্ধিত উৎসাহ প্রদান কৰাটো ৰাজহুৱা বিনিয়োগৰ উদ্দেশ্য হোৱা উচিত। মুদ্রাস্ফয়ৰ সময়ছোৱাত বুনিয়াদী ৰাজহুৱা বিনিয়োগ বিশেষভাৱে ফলপ্রসূ হয় ।
- **ঘাটি বিনিয়োগ ঃ** ঘাটি বিনিয়োগ তথা বুনিয়াদী ক্ষেত্রত কৰা ৰাজহুৱা বিনিয়োগে অর্থনীতিটোত ব্যক্তিগত বিনিয়োগ বৃদ্ধি কৰাত সহায়ক হয়। আনহাতে উন্নয়ন ক্ষেত্রত ৰাজহুৱা বিনিয়োগৰ জৰিয়তে জনসাধাৰণৰ জীৱনধাৰণৰ মানদণ্ড বৃদ্ধি কৰি মুঠ চাহিদাৰ স্তৰ উর্দ্ধগামী কৰিব পৰা যায় ।
- **অন্যান্য ব্যৱস্থা ঃ** মুদ্রাস্ফয় নিয়ন্ত্রণৰ অন্যান্য উপায়সমূহ হ'ল —সুদৰ হাৰ হ্রাস কৰা, ঋণ বৃদ্ধি ব্যৱস্থা, আমদানি বৃদ্ধি তথা ৰপ্তানি নিয়ন্ত্রণ ব্যৱস্থা আৰু অর্থনীতিটোৰ উৎপাদন নিয়ন্ত্রণ। সুদৰ হাৰ হ্রাস কৰিলে অর্থনীতিত বিনিয়োগ বৃদ্ধিৰ সম্ভাৱনা থাকে। বিনিয়োগকাৰী সকলক ঋণ বৃদ্ধিৰ ব্যৱস্থাই সহায় কৰে। আমদানি বৃদ্ধি

তথা ৰপ্তানি নিয়ন্ত্রণে ঘৰুৱা উৎপাদন বৃদ্ধি কৰে। আৰু উৎপাদন নিয়ন্ত্রণে অর্থনীতিত অতিৰিক্ত উৎপাদন ৰোধ কৰাত সহায় কৰে ।

১১.৩.৫ মুদ্রাস্ফীতি বনাম মুদ্রাক্ষয়

মুদ্রাস্ফীতি আৰু মুদ্রাক্ষয় দুয়ো ক্ষতিকাৰক। এই দুয়োটা পৰিঘটনাই অর্থনীতি আৰু সমাজৰ ওপৰত যথেষ্ট প্রভাৱ পেলায় । অৱশ্যে এক তুলনামূলক বিশ্লেষণৰ দ্বাৰা দেখা গৈছে যে মুদ্রাক্ষয় হৈছে অধিক ক্ষতিকাৰক । এই ক্ষেত্রত নিম্নোলেখিত কথাকেইটা মনকৰিবলগীয়া—

- তাত্ত্বিকভাৱে, অর্থনীতিটো পূর্ণ নিয়োগৰ অৱস্থাত উপনীত হোৱাৰ পাছতহে মুদ্রাস্ফীতিৰ উদ্ভৱ হয়, কিন্তু মুদ্রাক্ষয় অর্থনীতিত নিৱনুৱা থকা অৱস্থাত উদ্ভৱ হয়।
- মুদ্রাক্ষয়ৰ তুলনাত মুদ্রাস্ফীতি নিয়ন্ত্রণ কৰাটো সহজসাধ্য।
- মুদ্রাস্ফীতিয়ে সমাজৰ ধনী শ্রেণীৰ সপেক্ষে আয়ৰ পুণৰ বিতৰণ কৰে আনহাতে মুদ্রাক্ষয়ৰ দ্বাৰা ৰাষ্ট্রীয় আয় হ্রাস পায়।
- এক মৃদু মুদ্রাস্ফীতি লাভজনক হয়, কিয়নো ই অর্থনৈতিক বিকাশত সহায় কৰে। কিন্তু মুদ্রাক্ষয়ৰ দ্বাৰা অর্থনীতি সদায়েই ক্ষতিগ্রস্ত হয় ।
- যদিও মুদ্রাক্ষয়ৰ সময়ছোৱাত দুখীয়া শ্রেণীৰ সপক্ষে আয়ৰ পুনৰ বিতৰণ হয়, ই একে সময়তে উৎপাদন আৰু নিয়োগ হ্রাস কৰে। ইয়ে সমাজত দাৰিদ্রতা বৃদ্ধি কৰে। অর্থাৎ, দুখীয়া শ্রেণীৰ লোকো মুদ্রাক্ষয়ৰ দ্বাৰা ক্ষতিগ্রস্ত হয়। অর্থাৎ, আমি ক'ব পাৰোঁ যে মুদ্রাস্ফীতিয়ে কৱল দুখীয়া শ্রেণীকহে ক্ষতি কৰে, কিন্তু মুদ্রাক্ষয়ৰ দ্বাৰা ধনী আৰু দুখীয়া দুয়োটা শ্রেণীৰ ওপৰতে বিৰূপ প্রভাৱ পৰে। আকৌ মুদ্রাক্ষয়ে সংকোচনৰ সৃষ্টিৰ জৰিয়তে অর্থনীতিটো সমূলঞ্চে ধ্বংসও কৰিব পাৰে।

১১.৪ নিশ্চলস্ফীতি ঃ অর্থ আৰু ধাৰণা

নিশ্চলস্ফীতি (stagflation) শব্দটো ইংৰাজী ভাষাৰ stagnation (নিশ্চলতা) শব্দটিৰ 'stag' আৰু inflation (মুদ্রাস্ফীতি) শব্দটিৰ 'flation' শব্দাংশ যোগ কৰি সৃষ্টি কৰা হৈছে। যোৱা শতিকাৰ ৭০'ৰ দশকৰ আগভাগত দুটা বিপৰীতধর্মী পৰিঘটনাৰ সহ-অৱস্থিতি বুজাবলৈ এই শব্দটো সৃষ্টি কৰা হৈছিল। সেই সময়ছোৱাত এফালে মুদ্রাস্ফীতি আৰু আনফালে উৎপাদনশীল সম্পদৰ অপূর্ণ ব্যৱহাৰ এই দুয়োটা পৰিঘটনা একেলগে দেখা গৈছিল। গতিকে, নিশ্চলস্ফীতি (stagflation) শব্দটো অর্থনীতি এটাৰ অৱনতি (recession) বুজাবলৈ ব্যৱহাৰ কৰা হয়, যেতিয়া বর্দ্ধিত মুদ্রাস্ফীতিৰ লগতে বর্দ্ধিত নিবনুৱা অৱস্থা একেলগে দেখা যায়।

নিশ্চলস্ফীতি পৰিঘটনাটো ১৯৭০ দশকটোৰ কালছোৱাত, বিশেষকৈ পশ্চিমীয়া দেশবোৰত প্ৰথমে লক্ষ্য কৰা হৈছিল। যেতিয়াই যোগানৰ ব্যয় আচম্বিতভাৱে বাঢ়িবলৈ লয়, তেতিয়াই নিশ্চলস্ফীতি পৰিঘটনাটো দেখা পোৱা যায়। ১৯৭০ দশকৰ কালছোৱাৰ নিশ্চলস্ফীতি উদ্ভৱ হোৱাৰ মূল কাৰণ আছিল OPEC দেশবোৰে হঠাতে বৃদ্ধি কৰা খাৰুৱা তেলৰ দৰ। ১৯৭৩ চনত OPEC দেশবোৰে খাৰুৱা তেলৰ দৰ চাৰিগুণ বৃদ্ধি কৰিছিল। এই মাত্ৰাৰ দৰ বৃদ্ধিয়ে খাৰুৱা তেল আমদানিকাৰী দেশসমূহৰ অৰ্থনীতিৰ বাৰুকৈ ক্ষতিগ্ৰস্ত কৰিছিল। উদাহৰণ স্বৰূপে, খাৰুৱা তেলৰ এনে অস্বাভাৱিক মূল্য বৃদ্ধিৰ ফলত আমেৰিকা যুক্তৰাষ্ট্ৰত তৈয়াৰী সামগ্ৰীসমূহৰ দামো অত্যধিক হাৰত বৃদ্ধি পাবলৈ লয়; আৰু ফলস্বৰূপে, ১৯৭৪ চনত আমেৰিকা যুক্তৰাষ্ট্ৰৰ মুদ্রাস্ফীতিৰ হাৰ ১২% পৰ্যন্ত বৃদ্ধি পায়। অৰ্থনীতিটোৰ ওপৰত সেই অস্বাভাৱিক মূল্য বৃদ্ধিৰ বৃহত্তৰ প্ৰভাৱটো আছিল মুঠ ঘৰুৱা উৎপাদনৰ বৃদ্ধিৰ হাৰৰ নিম্নগামী গতি, যাৰ ফলস্বৰূপে নিবনুৱাৰ হাৰ ৯% পৰ্যন্ত বৃদ্ধি পাইছিল। অৱশ্যে এই পৰিঘটনাটো কেৱল যে আমেৰিকাতে পৰিলক্ষিত হৈছিল, তেনে নহয়; আন আন উন্নত দেশ, যেনে—গ্ৰেট বৃটেইন, জাৰ্মানী আৰু ফ্ৰান্স আদিতো দেখা গৈছিল।

উল্লিখিত দেশবোৰে নিশ্চলস্ফীতিৰ কু প্ৰভাৱৰ পৰা ১৯৭৫ চনৰ পৰা ক্ৰমান্বয়ে মুক্ত হৈ আহিছিল। অৱশ্যে ১৯৭৯ চনত ইৰাণত উদ্ভৱ হোৱা এক বিপ্লৱৰ ফলস্বৰূপে খাৰুৱা তেলৰ বজাৰখন পুনৰ সংকটৰ সন্মুখীন হৈছিল। সেইবাৰ OPEC দেশবোৰে খাৰুৱা তেলৰ দৰ দুগুণ বৃদ্ধি কৰিছিল। এই অৱস্থাত উন্নত দেশবোৰত নিশ্চলস্ফীতি পৰিঘটনাটোৱে গা কৰি উঠে।

OPEC : Oil and Petrolium Exporting Countries

নিশ্চলস্ফীতি পৰিঘটনাটো, অৰ্থাৎ মুদ্রাস্ফীতিৰ উচ্চ হাৰ আৰু লগতে নিবনুৱাৰো উচ্চ হাৰ—অৰ্থবিজ্ঞানৰ তাত্ত্বিক দিশৰ পৰা বিছাৰ কৰি চাবলৈ তেনেই উজু নহয়। দৰাচলতে, মৌদ্ৰিক অৰ্থবিজ্ঞানৰ ধ্যান ধাৰণা বা কেইন্সীয় অৰ্থবিজ্ঞানৰ ধ্যানধাৰণা— এই দুয়োটাৰ কোনোটোৱেই ইয়াৰ সঠিক ব্যাখ্যা আগবঢ়াব নোৱাৰিলে। ইয়াৰ ফলত অৰ্থবিজ্ঞানত এক নতুন ধ্যান ধাৰণাৰ উদ্ভৱ হয়—যোগান পাৰ্শ্বিক অৰ্থবিজ্ঞান (Supply Side Economics)। এই বিষয়ে পাছলৈ অধিক জানিবলৈ পাব।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ৩ ঃ শুদ্ধ নে অশুদ্ধ নিৰ্ধাৰণ কৰক ।

(ক) মুদ্রাস্ফয়ে অৰ্থনীতিটোৰ উৎপাদন কাৰ্যক উৎসাহিত কৰে।
(শুদ্ধ/অশুদ্ধ)

(খ) সুদৰ হাৰ বৃদ্ধি কৰি অৰ্থনীতি এটাৰ মুদ্রাস্ফয় নিয়ন্ত্ৰণ কৰিব পাৰি।
(শুদ্ধ/অশুদ্ধ)

প্ৰশ্ন ৪ ঃ আয়ৰ পুনৰ বিতৰণে মুদ্রাস্ফয় নিয়ন্ত্ৰণত কেনেদৰে সহায় কৰে? (৪০ টা শব্দৰ ভিতৰত) .....

.....

.....

.....

.....

প্ৰশ্ন ৫ ঃ মুদ্রাক্ষয় নিয়ন্ত্ৰণৰ সঁজুলি হিচাপে 'ঘাটি বিনিয়োগ' ব্যৱস্থা গ্ৰহণৰ আপুনি পোষকতা কৰে নেকি ? যুক্তি দিয়ক । (৪০ টা শব্দৰ ভিতৰত)

.....

.....

.....

.....

.....



১১.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- মুদ্রাক্ষয় হৈছে মুদ্রাস্ফীতিৰ বিপৰীতমুখী প্ৰক্ৰিয়া। অথবা ক'বলৈ গ'লে, ই হৈছে মুদ্রা মূল্য নিম্নগামী হোৱা এক অৱস্থা।
- কেইন্সৰ মতে, মুদ্রাক্ষয়ৰ মূল কাৰণ হৈছে মুঠ চাহিদাৰ নাটনি।
- মুদ্রাক্ষয়ৰ ফলত অৰ্থনৈতিক বিকাশ বাধাগ্ৰস্ত হয়, অৰ্থনীতিৰ বিনিয়োগ বাতাবৰণৰ ওপৰত বিৰূপ প্ৰভাৱ পৰে, নিবনুৱা সমস্যা বৃদ্ধি হয় আৰু দৰিদ্ৰতা বৃদ্ধি পায়।
- মুদ্রাস্ফীতি আৰু মুদ্রাক্ষয় দুয়ো ক্ষতিকাৰক । এই দুয়োটাই পৰিঘটনাই অৰ্থনীতি আৰু সমাজৰ ওপৰত যথেষ্ট প্ৰভাৱ পেলায়। অৱশ্যে এক তুলনামূলক বিশ্লেষণৰ দ্বাৰা দেখা গৈছে যে মুদ্রাক্ষয় হৈছে অধিক ক্ষতিকাৰক ।
- কৰৰ হাৰ হ্ৰাস কৰি, সমাজৰ ধনী শ্ৰেণীৰ পৰা দুখীয়া শ্ৰেণীলৈ আয়ৰ পুনৰ বিতৰণ কৰি, ৰাজহুৱা বিনিয়োগ বৃদ্ধি কৰি, ঘাটি বিনিয়োগ বৃদ্ধি কৰি মুদ্রাক্ষয় ৰোধ কৰিব পৰা যায়।
- নিশ্চলস্ফীতি পৰিঘটনাটোৱে মুদ্রাস্ফীতিৰ উচ্চ হাৰ আৰু লগতে নিবনুৱাৰো উচ্চ হাৰৰ সহ-অৱস্থিতি বুজায় ।
- মৌদ্ৰিক অৰ্থবিজ্ঞানৰ ধ্যানধাৰণা বা কেইন্সীয় অৰ্থবিজ্ঞানৰ ধ্যানধাৰণা— এই দুয়োটাৰ কোনোটোৱেই নিশ্চলস্ফীতি পৰিঘটনাটোৰ সঠিক ব্যাখ্যা আগবঢ়াব নোৱাৰিলে। ইয়াৰ ফলত অৰ্থবিজ্ঞানত এক নতুন ধ্যান ধাৰণাৰ উদ্ভৱ হয়—যোগান পাৰ্শ্বিক অৰ্থবিজ্ঞান (Supply Side Economics)।




১১.৬ অধিক জানিবৰ বাবে

ইংৰাজী গ্ৰন্থ ঃ

- Ajuja, H.L. (2007). *Macroeconomics: Theory and Policy*, New Delhi: S.Chand & Co.
- Gupta, R. D. & Rana, A. S. (2009). *Keynes and Post-Keynesian Economics*, Ludhiana: Kalyani Publisher.
- Rana, K. C. & Verma, K. N. (2009). *Macro Economic Analysis.* New Delhi: Vishal Publishing Co.
- Shapiro, E. (1988). *Macroeconomic Analysis*, New Delhi: Galgotia Publications Pvt. Ltd.

অসমীয়া গ্ৰন্থ ঃ

- আহমেদ, ৰফিক (২০০৭) ঃ *সমষ্টিগত অৰ্থতত্ত্ব*। যোৰহাট ঃ ইউনিকা প্ৰকাশন।



১১.৭ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ (ক) শুদ্ধ (খ) অশুদ্ধ

২ নং প্ৰশ্নৰ উত্তৰ ঃ চৰকাৰে যেতিয়া চৰকাৰী বিনিয়োগৰ পৰিমাণৰ হ্ৰাস কৰে, তেতিয়া দেশৰ ৰাষ্ট্ৰীয় আয় আৰু মুঠ চাহিদা বেয়াকৈ ক্ষতিগ্ৰস্ত হয়। ফলস্বৰূপে, নিয়োগৰ পৰিমাণ হ্ৰাস পায়। তাৰ পৰিণতিত আকৌ বিনিয়োগৰ মাত্ৰা হ্ৰাস পায় আৰু অৰ্থনীতিটো ক্ৰমান্বয়ে মুদ্ৰাস্ফয়ৰ ফালে ধাৰিত হয়।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ (ক) অশুদ্ধ (খ) অশুদ্ধ

৪ নং প্ৰশ্নৰ উত্তৰ ঃসমাজৰ ধনী শ্ৰেণীৰ পৰা দুখীয়া শ্ৰেণীলৈ যদি আয়ৰ পুনৰ বিতৰণ কৰা হয়, তেন্তে ই দুখীয়া শ্ৰেণীৰ আয়ৰ স্তৰ বৃদ্ধিত সহায়ক হ'ব। আকৌ, ধনীশ্ৰেণীৰ তুলনাত দুখীয়া শ্ৰেণীৰ প্ৰান্তিক উপভোগৰ প্ৰৱণতা বেছি হয় বাবে তেনে বিতৰণৰ ফলত মুঠ চাহিদা স্তৰ বৃদ্ধি পায়।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ ঘাটি বিনিয়োগ তথা বুনিয়াদী ক্ষেত্ৰত কৰা ৰাজহুৱা বিনিয়োগে অৰ্থনীতিটোত ব্যক্তিগত বিনিয়োগ বৃদ্ধি কৰাত সহায়ক হয়। আনহাতে উন্নয়নৰ ক্ষেত্ৰত ৰাজহুৱা বিনিয়োগৰ জৰিয়তে জনসাধাৰণৰ জীৱনধাৰণৰ মানদণ্ড বৃদ্ধি কৰি মুঠ চাহিদাৰ স্তৰ ঊৰ্দ্ধগামী কৰিব পৰা যায়।



১১.৮ আৰ্হি প্ৰশ্ন

চুটি প্ৰশ্ন (১৫০ টা মান শব্দৰ ভিতৰত প্ৰতিটো প্ৰশ্নৰ উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ মুদ্রাক্ষয়ৰ ওপৰত এটা চমুটোকা যুগুটাওক।

প্ৰশ্ন ২ ঃ মুদ্রাক্ষয় উদ্ভৱ হোৱা বিভিন্ন কাৰণবোৰ ব্যাখ্যা কৰক।

প্ৰশ্ন ৩ ঃ নিশ্চলস্ফীতিৰ ধাৰণাটো ব্যাখ্যা কৰক।

প্ৰশ্ন ৪ ঃ মুদ্রাক্ষয় কেনেকৈ মজদুৰ শ্রেণীৰ লোকসকলৰ ওপৰত প্ৰভাৱ পেলাই বৰ্ণনা কৰক।

ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ টা মান শব্দৰ ভিতৰত প্ৰতিটো প্ৰশ্নৰ উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ চৰকাৰে লোৱা মুদ্রাক্ষয় প্ৰতিৰোধী ব্যৱস্থা কেইটামান বৰ্ণনা কৰক।

প্ৰশ্ন ২ ঃ মুদ্রাক্ষয়ৰ বিভিন্ন কাৰক সম্বন্ধে কেইন্সৰ ধাৰণা বৰ্ণনা কৰক।

প্ৰশ্ন ৩ ঃ মুদ্রাক্ষয়ে অৰ্থনীতিত কেনে প্ৰভাৱ পেলায়? বহলাই আলোচনা কৰক।

প্ৰশ্ন ৪ ঃ মুদ্রাস্ফীতি আৰু মুদ্রাক্ষয়ৰ এক তুলনামূলক আলোচনা আগবঢ়াওক।

** ***** ***